GPH S5-01(M/P)
Exam Code : PHM 5A

পৰাবিদ্যা

পঞ্চম ষান্মাষিক

দর্শন

খণ্ডঃ ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

খণ্ড **বিষয়ৰ পৰিচয়**

এই পাঠ্য বিষয়টিয়ে আপোনাক দর্শনৰ গুৰুত্বপূর্ণ শাখা হিচাপে বিবেচনা কৰা 'পৰাবিদ্যাৰ' লগত পৰিচয় কৰাই দিব। পৰাবিদ্যা হৈছে দর্শনৰ এটা ভাগ, যিটোৱে সত্ত্বাৰ স্বৰূপ অনুসন্ধান কৰে। ই হৈছে প্রকাশ্য ৰূপৰ অন্তৰালত থকা পৰম সত্ত্বাৰ স্বৰূপ সম্বন্ধীয় এক সাধাৰণ অনুসন্ধান। এৰিষ্টটলে পৰাবিদ্যাক 'প্রথম দর্শন' নামে অভিহিত কৰিছে। পৰাবিদ্যাই জগত, জীৱন আৰু ঈশ্বৰৰ প্রকৃত স্বৰূপ নিৰূপণ কৰিব বিচাৰে। জাগতিক প্রকৃতিৰ উপৰিও ই জড় আৰু প্রাণ, ঈশ্বৰৰ স্বৰূপ আৰু অস্তিত্ব, আত্মাৰ অমৰত্ব আৰু মানৰ ইচ্ছাৰ - স্বাধীনতাৰ বিষয়ে আলোচনা কৰে।

ইংৰাজী 'Metaphysics' শব্দৰ উৎপত্তি Meta আৰু Physica নামৰ দুটা গ্রীক শব্দৰ পৰা Meta ৰ অর্থ হ'ল 'পিছত' আৰু Physica ৰ অর্থ হ'ল প্রকৃতি। গতিকে Metaphysics শব্দৰ আক্ষৰিক অর্থ হ'ল 'প্রকৃতিৰ পিছত যি আহে'। Metaphysics শব্দটো খৃঃপুঃ ১ ম শতিকাত আৰম্ভ হৈছিল।

এই পাঠ্যবিষয়টিত সাত টা অধ্যায় আছে।

নৱম অধ্যায়টো হ'ল ' অধিবিজ্ঞান বিৰোধীঃ কাণ্ট'। **এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**-অধিবিজ্ঞানৰ সম্ভাৱনীয়তা,আভ্যন্তৰীক বনাম অতীন্দ্রিয় অধিবিদ্যা।

দশম অধ্যায়টো হ'ল **'ব্যক্তি তাদাত্ম্য সমস্যাঃ ল'ক আৰু হিউম। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- দৈহিক মানদণ্ড, স্মৃতি মানদণ্ড, জাঁ পল ছার্ত্রেৰ ব্যক্তি তাদাত্ম্য সম্পর্কীয় মত, ব্যক্তি তাদাত্ম্য সম্বন্ধে এটি সূক্ষ্ম সমালোচনা।

একাদশ অধ্যায়টো হ'ল **ষ্ট্রৱ'চনৰ ব্যক্তিৰ ধাৰণাঃ। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**-ব্যক্তিৰ ধাৰণা কি? কর্তৃত্ববিহীন মতবাদ (No-ownership theory) সম্বন্ধে ষ্ট্রছনৰ অভিমত,ডেকার্টপন্থী মতবাদ (Cartesianism) সম্বন্ধে ষ্ট্রছনৰ অভিমত,P আৰু M বিধেয় সম্বন্ধে ষ্ট্রছনৰ অভিমত,বিধেয় সম্বন্ধে ষ্ট্রছনৰ ধাৰণা, ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নার্ড উইলিয়ামচৰ অভিমত।

দ্বাদশ **অধ্যায়**টো হ'ল **'মূল্যৱাদৰ সমস্যা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- মূল্য কি? মানবিজ্ঞান,মূল্যৰ অর্থ,মূল্যৰ সংজ্ঞা,মূল্যৰ প্রকাৰ ,মূল্যসমূহ ঃ আত্মনিষ্ঠ আৰু বস্তুনিষ্ঠ,অন্তর্নিহিত আৰু বাহ্যিক মূল্য,তথ্য আৰু মূল্যৰ সম্বন্ধ,বাস্তৱ সত্তা আৰু মূল্য।

ত্রয়োদশ অধ্যায়টো হ'ল **'সামান্য বস্তুবাদঃ (প্লেটো আৰু এৰিষ্ট্রটল)। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- সামান্য ঃ ইয়াৰ প্রকৃতি আৰু মতবাদসমূহ, বস্তুবাদ, প্লেট'ৰ বস্তুবাদ, এৰিষ্ট'টলৰ বস্তুবাদ।

চতুর্দশ অধ্যায়টো হ'ল **'নামবাদ ঃ হ'বচ আৰু হিউম। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**– নামবাদ ঃ এই মতবাদে কি কয়,হ'বচৰ মতবাদ,হিউমৰ মতবাদ।

পঞ্চদশ অধ্যায়টো হ'ল **'অৱভাস আৰু সত্তা ঃ ব্রেডলী।** সত্তা সম্পর্কে ব্রেড্লীৰ ধাৰণা, সত্তাৰ নির্ণায়ক,সত্তা বিকল্পহীন, সত্তা ব্যক্তিগত, সত্তাৰ জ্ঞান, অৱভাস সম্পর্কে ব্রেড্লীৰ ধাৰণা, অৱভাস আৰু সত্তাৰ সম্বন্ধ,সত্য আৰু বাস্তৱৰ মাত্রা,সামৰণি

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।